জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৩/২০২২

# নেহৰু ষ্টেডিয়ামত আয়োজিত প্ৰদৰ্শনীমূলক ফুটবল খেল উপভোগ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১১ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম ফুটবল সন্থা আৰু গুৱাহাটী ক্ৰীড়া সন্থা তথা অন্যান্য ক্ৰীড়া সন্থাৰ সহযোগত গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত আয়োজিত এখন প্ৰদৰ্শনীমূলক ফুটবল খেল উপভোগ কৰাৰ লগতে বিজয়ী আৰু বিজিত দলক আনুষ্ঠানিকভাৱে ট্ৰফী প্ৰদান কৰে। উল্লেখ্য যে এই প্ৰদৰ্শনীমূলক ফুটবল খেলখন ৰাইনো ৱাৰিয়ৰ্ছ আৰু ব্ৰহ্মপুত্ৰ ব্ৰেভ্ছৰ মাজত অনুষ্ঠিত হৈছিল।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ক'ভিডৰ পিছত বহুদিনৰ বিৰতিত নেহৰু ষ্টেডিয়ামত আজি এই প্ৰদৰ্শনীমূলক ফুটবল খেলখন অনুষ্ঠিত হৈছে। ইয়ে ক'ভিডসৃষ্ট পৰিস্থিতিৰ পিছত স্বাভাৱিক জীৱন যাত্ৰা আৰম্ভ হোৱাকে সূচাইছে বুলি তেওঁ কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে নেহৰু ষ্টেডিয়ামখনক সজাই পৰাই ফুটবল খেলৰ উপযোগী কৰি তোলাৰ বাবে অসম ক্ৰিকেট সন্থাৰ শলাগ লয়। নেহৰু ষ্টেডিয়ামত এনেদৰে ফুটবল খেল চলি থাকিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে ষ্টেডিয়ামখনৰ ফ্লাড লাইটসমূহ কাৰ্যক্ষম কৰি তোলাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে যাতে নিশাৰ ভাগতো ইয়াত খেল অনুষ্ঠিত কৰিব পৰা যায়। আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ২০২১-২২ বৰ্ষৰ ২৬ তম্ ছিনিয়ৰ মহিলা ৰাষ্ট্ৰীয় ফুটবল চেম্পিয়নশ্বিপত কোৱাৰ্টাৰ ফাইনেললৈকে খেলা অসম মহিলা ফুটবল দলৰ সদস্য কেইগৰাকীক ভাৰতীয় ফুটবল ফেডাৰেশ্যনে প্ৰদান কৰা প্ৰমাণপত্ৰসমূহো বিতৰণ কৰে। তেওঁ লগতে সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা অসম দলৰ খেলুৱৈসকলকো সম্বৰ্দ্ধনা জ্ঞাপন কৰে।

আজিৰ এই অনুষ্ঠানত সাংসদ কুইন ওজা, বিধায়ক তথা অসম ফুটবল সন্থাৰ সভাপতি নৱ কুমাৰ দলে, অসম ফুটবল সন্থা, গুৱাহাটী ক্ৰীড়া সন্থা, অসম অলিম্পিক সন্থা, অসম ক্ৰিকেট সন্থা ইত্যাদিৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে।

**বঃভাঃ**
**১১-০৩-২০২২**